NSD NEWS BULLETIN
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-04-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, প্ৰথমবাৰৰ বাবে দেশৰ প্ৰতিৰক্ষা ৰপ্তানীয়ে ২০২৩-২৪ চনত ২১ হাজাৰ কোটি টকা অতিক্ৰম কৰিছে।

২। নতুন দিল্লীৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত আজি অনুষ্ঠিত ইস্তাহাৰ সমিতিৰ বৈঠকত আসন্ন লোকসভা নিৰ্বাচনৰ বাবে দলটোৰ ইস্তাহাৰত অন্তৰ্ভুক্ত কৰিবলগীয়া বিষয় সন্দৰ্ভত আলোচনা কৰা হয়।

৩। চলিত বছৰৰ মাৰ্চত মুঠ সামগ্ৰী আৰু সেৱা কৰৰ ৰাজহ সংগ্ৰহ এতিয়ালৈ দ্বিতীয় সৰ্বাধিক হিচাপে পৰিগণিত হৈছে।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ পূব ভাৰতত অহা বৃহস্পতিবাৰলৈকে ধুমুহা-বৰষুণ অব্যাহত থাকিব বুলি আগজাননী দিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ, ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, প্ৰথমবাৰৰ বাবে দেশৰ প্ৰতিৰক্ষা ৰপ্তানীয়ে ২০২৩-২৪ চনত ২১ হাজাৰ কোটি টকা অতিক্ৰম কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ জৰিয়তে শ্ৰীসিঙে কয় যে, যোৱাটো বিত্তীয় বৰ্ষত প্ৰতিৰক্ষা ৰপ্তানি খণ্ডত বৃদ্ধিৰ হাৰ আছিল ৩২ শতাংশৰো অধিক আছিল। প্ৰতিৰক্ষা মন্ত্ৰালয়ে ভাৰতৰ প্ৰতিৰক্ষা উৎপাদন আৰু ৰপ্তানিক আগুৱাই নিবলৈ বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা বুলিও শ্ৰীসিঙে উল্লেখ কৰে। তেওঁ লগতে কয় যে, দেশৰ ব্যক্তিগত খণ্ড আৰু প্ৰতিৰক্ষা ৰাজহুৱা খণ্ডৰ অন্তৰ্গত প্ৰতিৰক্ষা উদ্যোগসমূহে যোৱা কেইটামান বছৰত উৎকৃষ্ট প্ৰদৰ্শন দেখুৱাবলৈ সমৰ্থ হৈছে। মন্ত্ৰীগৰাকীয়ে এই খণ্ডৰ লগত জড়িত প্ৰতিজন অংশীদাৰলৈ প্ৰতিৰক্ষা ৰপ্তানিৰ ক্ষেত্ৰত স্থাপন কৰা এই মাইলৰ খুটিৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, গোলকীয় বিষয়সমূহে যাতে দেশক অধিক প্ৰভাৱিত কৰিব নোৱাৰে তাৰবাবে অহা ১০ বছৰত ভাৰত অৰ্থনৈতিকভাৱে স্ব-নিৰ্ভৰশীল হ'ব লাগিব। মুম্বাইত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৯০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত সমাৰোহত ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে কয় যে, ভাৰতৰ বেংকিং খণ্ডৰ ব্যাপক পৰিৱৰ্তন সাধন হৈছে আৰু ই এটা অধ্যয়নৰ বিষয়বস্তু হৈ পৰিছে। যোৱা দশকটোত কেন্দ্ৰীয় চৰকাৰ আৰু আৰ বি আয়ে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বাবে বেংকিং খণ্ড এতিয়া লাভজনক স্থিতিত উপনীত হৈছে। ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ পুনৰ উদ্ধাৰৰ বাবে চৰকাৰে চাৰে ৩ লাখ কোটি টকা বিনিয়োগ কৰিছে। তেওঁ লগতে কয় যে, ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ অ-সম্পাদিত সম্পদৰ পৰিমাণ ২০১৮ চনতকৈ তিনি শতাংশ কমি যোৱা বছৰৰ চেপ্তেম্বৰত ১১ দশমিক ২-৫ শতাংশ হৈছে। শ্ৰী মোদীয়ে কয় যে, যুটীয়া বেলেঞ্চ শ্বীটৰ সমস্যা সম্প্ৰতি পুৰণি বিষয়ত পৰিণত হৈছে আৰু বেংকে সম্প্ৰতি ১৫ শতাংশ ঋণ বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছে। এই সকলো ক্ষেত্ৰতে আৰ বি আয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আৰু বিত্ত ৰাজ্য মন্ত্ৰী ভগৱত কিষাণ ৰাও কাৰাড তথা পংকজ চৌধুৰীয়েও এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ দি আৰ বি আইৰ গৱৰ্ণৰ শক্তিকান্ত দাসে কয় যে, ৰিজাৰ্ভ বেংকৰ বিকাশ দেশৰ অৰ্থব্যৱস্থাৰ বিকাশৰ সৈতে ওতপ্ৰোতঃভাৱে জড়িত হৈ আছে।

ooooooooo

নতুন দিল্লীত থকা বিজেপিৰ মুখ্য কাৰ্যালয়ত আজি দলটোৰ ইস্তাহাৰ সমিতিৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত লোকসভা নিৰ্বাচনৰ বাবে দলটোৰ ইস্তাহাৰত অন্তৰ্ভুক্ত কৰিবলগীয়া বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত গঠিত ২৭ জনীয়া সমিতিখনৰ আজি অনুষ্ঠিত প্ৰথমখন বৈঠকত দলটোৰ বাবে গুৰুত্ব বহন কৰা কেইবাটাও বিষয় পৰ্যালোচনা কৰা হয়। উল্লেখযোগ্য যে এই সমিতিখনত কেন্দ্ৰীয় মন্ত্ৰী নিৰ্মলা সীতাৰমণক আহ্বায়ক আৰু পিয়ুছ গোৱেলক সহ আহ্বায়ক হিচাবে ৰখা হৈছে। এই সমিতিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাও সদস্য হিচাপে অন্তৰ্ভুক্ত হৈছে।

ইফালে কংগ্ৰেছ দলৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিৰ বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হয়। এই বৈঠকত তেলেংগানা লোকসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থী ঘোষণা কৰা সন্দৰ্ভত আলোচনা কৰা হয়। দলৰ নেতা মল্লিকাৰ্জুন খাৰ্গে, জ্যেষ্ঠ নেত্ৰী চোনীয়া গান্ধী, তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেৱন্থ ৰেড্ডীকে ধৰি ভালেসংখ্যক নেতাকৰ্মী উপস্থিত থাকে।

ooooooo

চলিত বছৰৰ মাৰ্চত মুঠ সামগ্ৰী আৰু সেৱাকৰৰ ৰাজহ সংগ্ৰহ এতিয়ালৈ দ্বিতীয় সৰ্বাধিক হিচাপে পৰিগণিত হৈছে। বছৰি ১১ শতাংশতকৈও অধিক বৃদ্ধি হৈ এইবেলি এই পৰিমাণ হৈছে, ১ লাখ ৭৮ হাজাৰ কোটি টকা। কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, ১৭ দশমিক ৬ শতাংশ ঘৰুৱা লেন-দেনৰ জৰিয়তে জি এছ টি সংগ্ৰহত উল্লেখনীয় বৃদ্ধি হোৱাৰ ফলত এই অভিলেখ সৃষ্টি হৈছে। যোৱাটো বিত্তীয় বৰ্ষত মাহিলী সংগ্ৰহৰ পৰিমাণ আছিল গড়ে ১ লাখ ৬৮ হাজাৰ কোটি টকা। তাৰ পূৰ্বৰ বছৰৰ গড়ে ১ লাখ ৫০ হাজাৰ কোটি টকাতকৈ এই পৰিমাণ অধিক আছিল। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, চলিত বৰ্ষৰ মাৰ্চত ধনৰ প্ৰত্যৰ্পণৰ মুঠ জি এছ টি ৰাজহ সংগ্ৰহ ১ লাখ ৬৫ হাজাৰ কোটি টকা। এই পৰিমাণ বিগত বৰ্ষৰ একেটা সময়ৰ তুলনাত ১৮ দশমিক ৪ শতাংশৰো অধিক।

০০০০০০০

জ্ঞানবাপী মছজিদৰ দক্ষিণ অংশত হিন্দুসকলক পূজা কৰাৰ বাবে যোৱা ৩১ জানুৱাৰীত বাৰাণসী আদালতে দিয়া ৰায় স্থগিত ৰাখিবলৈ উচ্চতম ন্যায়ালয়ে অস্বীকাৰ কৰিছে। ভাৰতৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ লগতে ন্যায়াধীশ জে বি পাৰ্দিৱালা আৰু মনোজ মিশ্ৰাৰ বিচাৰপীঠে সকলো পক্ষকে মছজিদ প্ৰাংগনত বৰ্তমানৰ ব্যৱস্থা বাহাল ৰাখি উভয় সম্প্ৰদায়কে ধৰ্মীয় প্ৰাৰ্থনা অনুষ্ঠিত কৰাৰ সুবিধা দিবলৈ নিৰ্দেশ দিয়ে। আদালতে দিয়া নিৰ্দেশ অনুসৰি, হিন্দুসকলে দক্ষিণ দিশেৰে প্ৰৱেশ কৰি সেই অংশত প্ৰাৰ্থনা কৰাৰ বিপৰীতে মুছলমানসকলে উত্তৰ দিশেৰে প্ৰৱেশ কৰি সেই অংশত উপাসনা কৰিব। গোচৰটোৰ চূড়ান্ত মীমাংসা নোহোৱালৈ এই ব্যৱস্থা বাহাল থাকিব।

০০০০০০০

ৰাজ্যত তিনিটা পৰ্যায়ত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ বাবে স্থানীয় বন্ধ ঘোষণা কৰা হৈছে। নিৰ্বাচন অনুষ্ঠিত সমষ্টিসমূহত প্ৰশাসনে বন্ধ ঘোষণা কৰিছে। পৃথকে পৃথকে ১৪টা লোকসভা সমষ্টিত এই নিৰ্দেশনা প্ৰযোজ্য হ'ব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে অহা ১৯ এপ্ৰিলত কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত এলেকাসমূহত বন্ধ ঘোষণা কৰা হৈছে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচৰ বাবে অহা ২৬ এপ্ৰিলত দৰং-ওদালগুৰি, নগাঁও, ডিফু, শিলচৰ আৰু কৰিমগঞ্জ লোকসভা সমষ্টিৰ অন্তৰ্গত এলেকাসমূহত প্ৰশাসনে স্থানীয় বন্ধ ঘোষণা কৰিছে। তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে অহা ৭ মে'ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত এলেকাসমূহত স্থানীয় বন্ধ ঘোষণা কৰা হৈছে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ পূব ভাৰতত অহা বৃহস্পতিবাৰলৈকে ধুমুহা-বৰষুণ অব্যাহত থাকিব বুলি আগজাননী দিছে। অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত অহা দুই তিনিদিনলৈকে ধুমুহা-বৰষুণৰ লগতে শিলাবৃষ্টিও হ'ব বুলি বিভাগে প্ৰকাশ কৰিছে। হিমালয়ৰ পশ্চিমাঞ্চলত হোৱা বতৰৰ পৰিৱৰ্তনৰ ফলত অহা ৫ এপ্ৰিললৈকে উত্তৰ পূব ভাৰতৰ বতৰ শোচনীয় হৈ থাকিব বুলি বতৰ বিজ্ঞান বিভাগে জানিবলৈ দিছে। বিভাগৰ মতে, জম্মু-কাশ্মীৰ, লাডাখ, মুজ্জাফৰবাদ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডত বতৰৰ এনে অৱস্থা ৬ এপ্ৰিললৈ চলি থাকিব।

ৰাজ্যৰ ভিন্ন প্ৰান্তত কালি অহা শিলাবৃষ্টি আৰু ধুমুহাই বিস্তৰ ক্ষতি কৰিছে। ধুমুহা, বজ্ৰপাত আৰু নাও দুৰ্ঘটনাত চাৰি গৰাকী লোকৰ মৃত্যু হৈছে। কাছাৰ, পূব কাৰ্বি আংলং, ওদালগুৰি আৰু দক্ষিণ শালমাৰাত এগৰাকীকৈ লোকৰ প্ৰাণহানি হৈছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমৰ এটা বাৰ্তাত পশ্চিম বংগ, অসম আৰু মণিপুৰত ধুমুহাৰ বাবে হোৱা ভয়ংকৰ ক্ষতিৰ বাবে উদ্বেগ প্ৰকাশ কৰে। শ্ৰীশ্বাহে সংশ্লিষ্ট ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে কথা পাতি সকলো ধৰণৰ সহায়ৰ আশ্বাস প্ৰদান কৰাৰ লগতে তেওঁ নিহতসকলৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা প্ৰকাশ কৰে আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

০০০০০০০

ভাৰতীয় সেনাবাহিনীৰ অসম ৰেজিমেণ্টৰ অৱসৰপ্ৰাপ্ত সৈনিক চুবেদাৰ থানেচেইয়াৰ মৃত্যুত সমগ্ৰ দেশতে শোকৰ ছাঁ পৰিছে। ১০২ বছৰীয়া মিজোৰামৰ সৈনিকগৰাকীৰ কালি মৃত্যু ঘটে। তেওঁ ক'হিমা যুদ্ধত প্ৰদৰ্শন কৰা বীৰত্ব তথা জেচামিত মোতায়েন হৈ থকা কালছোৱাত প্ৰথম অসম ৰেজিমেণ্টৰ ঐতিহ্য গঢ় দিয়াৰ ক্ষেত্ৰত তেওঁৰ ভূমিকা ভাৰতীয় সেনাৰ ইতিহাসত চিৰকাল খোদিত হৈ থাকিব। প্ৰতিৰক্ষা জন-সম্পৰ্কৰক্ষী

বিষয়াই প্ৰকাশ কৰে যে, কীৰ্তিমান কাৰ্য্যকালত চুবেদাৰ থানেচেইয়াই দেশৰ প্ৰতি অসাধাৰণ প্ৰতিশ্ৰুতিবদ্ধতাৰে জন-সমাজত বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। বিভিন্ন প্ৰত্যাহ্বান নেওচি ক'হিমাত তেওঁ প্ৰদৰ্শন কৰা অতুলনীয় সাহসে মিত্ৰজোটক যুদ্ধত জয়ী হোৱাৰ ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়াইছিল। অৱসৰ গ্ৰহণ কৰাৰ পাছতো চুবেদাৰ থানেচেইয়াই দেশ আৰু সম্প্ৰদায়ৰ প্ৰতি আগবঢ়োৱা নিষ্ঠাৰ জৰিয়তে অবিৰতভাৱে সকলোকে অনুপ্ৰেৰণা যোগাই আহিছিল। থানেচেইয়া সক্ৰিয়ভাৱে বিভিন্ন ধৰণৰ শৈক্ষিক কাৰ্য্য-কলাপতো জড়িত হৈ আছিল। অসম ৰেজিমেণ্টৰ কমৰেডসকলকে ধৰি বিভিন্ন অসামৰিক সংস্থাই তেওঁৰ মৃত্যুত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত তেওঁৰ আদৰ্শনীয় সেৱা সাহস, নেতৃত্ব আৰু অতুলনীয় প্ৰতিশ্ৰুতিবদ্ধতাৰ চানেকি হিচাপে চিৰদিন জিলিকি ৰ'ব।

০০০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ন বজাত **আয়কৰ ৰিটাৰ্ণ প্ৰক্ৰিয়াৰ সৰলীকৰণ সন্দৰ্ভত আয়কৰ বিভাগৰ আয়ুক্ত ধৰ্মবীৰ সিং আৰু চাৰ্টাৰ্ড একাউণ্টেণ্ট সঞ্জীৱ নাৰায়ণৰ** সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২১০৫০ আৰু ০১১-২৩৩১৪৪৪৪ নম্বৰত ফোন কৰি তেওঁলোকক **আয়কৰ ৰিটাৰ্ণ দাখিল, পুৰণি আৰু নতুন  কৰ ব্যৱস্থা আৰু আয়কৰ দাখিলকৰণ প্ৰক্ৰিয়াৰ সৈতে জড়িত** বিভিন্ন দিশ সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে লগতে ৱাটছএপ যোগে ৯২৮৯০-৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newson air.gov.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিব পাৰিব।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ, ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে, ৰাজস্থান ৰয়েলছে ইতিমধ্যে খেলা দুয়োখন খেলতে জয়লাভ কৰি পইণ্ট তালিকাৰ তৃতীয় স্থানত থকাৰ বিপৰীতে মুম্বাই ইণ্ডিয়ানছ নিজৰ দুয়োখন খেলতে পৰাজয়ৰ সন্মুখীন হৈ তালিকাৰ অন্তিম স্থানত আছে।

আনহাতে, কালি নিশা বিশাখাপট্টনমৰ ৱাই এছ ৰাজাশেখৰ ৰেড্ডী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছে চেন্নাই ছুপাৰ কিংছক ২০ ৰাণত পৰাজিত কৰে। দেলহি কেপিটেলছে নিৰ্ধাৰণ কৰি দিয়া ১৯২ ৰাণৰ লক্ষ্যৰে খেলিবলৈ লোৱা চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৭০ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০০০

সমাপ্ত